**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 24-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::

## HEADLINE

১। ভাৰত আৰু ইংলেণ্ডে আজি ঐতিহাসিক মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰে।

২। সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা বিৰোধী পক্ষই বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

৩। সম্প্ৰসাৰণ, যান্ত্ৰিকীকিকৰণ, ডিজিটেলাইজেছন আৰু ব্যৱসায়িক সুচলতাৰ ফলত গোলকীয় বাণিজ্যৰ কেন্দ্ৰ হিচাপে দেশৰ বন্দৰসমূহৰ উত্থান ঘটিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

৪। ৰাছিয়া আৰু চীনৰ সীমান্তৱৰ্তী আমূৰ পাৰ্বত্য অঞ্চলত হোৱা বিমান দুৰ্ঘটনাত ৪৯ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে।

*আৰু*

৪। অ'ল্ড ট্ৰেফ'ৰ্ডত চলি থকা চতুৰ্থ ক্ৰিকেট টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতে ৩৫৮ ৰানত প্ৰথম ইনিংছ সামৰে।

ooooo

ভাৰত আৰু ইংলেণ্ডে আজি ঐতিহাসিক মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰে। লণ্ডনত ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমৰ সৈতে হোৱা আলোচনাৰ অন্তত দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে আজিৰ দিনটো উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ বাবে ঐতিহাসিক দিন বুলি অভিহিত কৰে। কেইবাবছৰজোৰা কঠোৰ পৰিশ্ৰমৰ অন্তত দুয়োখন দেশৰ মাজত সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্যিক চুক্তি সম্পাদনৰ বিষয়ক লৈ তেওঁ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে এই চুক্তিয়ে ভাৰত আৰু ইংলেণ্ডৰ উমৈহতীয়া সমৃদ্ধিৰ পথ প্ৰশস্ত কৰিব। তেওঁ কয়, যে ভাৰতীয় বস্ত্ৰ, জোতা-চেণ্ডেল, ৰত্ন আৰু আভূষণ, সাগৰীয় খাদ্য আৰু অভিযান্ত্ৰিক সামগ্ৰী সমূহে এতিয়া ইংলেণ্ডত উন্নত বজাৰ লাভ কৰিবলৈ সমৰ্থ হ'ব। ইংলেণ্ডৰ বজাৰত প্ৰসংস্কৰিত খাদ্য উদ্যোগে নতুন সুযোগ লাভ কৰিব বুলিও তেওঁ মন্তব্য কৰে। শ্ৰী মোদীয়ে কয়, যে এই চুক্তিখন দেশৰ যুৱ প্ৰজন্ম, খেতিয়ক, মাছমৰীয়া আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগখণ্ডৰ বাবে বিশেষকৈ লাভদায়ক হিচাপে পৰিগণতি হ'ব।

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমৰে তেওঁৰ বিবৃতিত কয়, যে মুক্ত বাণিজ্য চুক্তি, ইংলেণ্ডে ইউৰোপীয় সংঘ ত্যাগ কৰাৰ পাছত দেশখনৰ বাবে আটাইতকৈ বৃহৎ আৰু আৰ্থিক দিশৰ পৰা গুৰুত্বপূৰ্ণ ব্যৱসায়িক চুক্তিৰূপে পৰিগণিত হৈছে। তেওঁ লগতে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্ব আৰু প্ৰয়োগবাদৰ ভূয়সী প্ৰশংসা কৰে। এই চুক্তিৰ পৰা উভয়দেশ লাভান্বিত হ'ব বুলি শ্ৰী ষ্টাৰমৰে মন্তব্য কৰে। তেওঁ কয়, যে ইয়াৰ ফলত বেতন বৃদ্ধি পাব আৰু জীৱন ধাৰণৰ মান উন্নত হ'ব। তেওঁ লগতে কয়, যে শুল্ক কৰ্তনৰ ফলত ব্যৱসায় ত্বৰান্বিত আৰু সুচল হ'ব।

ভাৰতীয় উদ্যোগ মহাসংঘই ভাৰত আৰু ইংলেণ্ডৰ মাজত সম্পাদিত মুক্ত বাণিজ্য চুক্তিৰ প্ৰতি আদৰণি জনাইছে। উদ্যোগ মহাসংঘই ইয়াক দ্বিপাক্ষিক সম্পৰ্কৰ দিশৰ পৰা ৰূপান্তৰকামী পদক্ষেপ বুলি অভিহিত কৰিছে।

ooooo

সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা বিৰোধী পক্ষই বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। লোকসভাৰ কামকাজ প্ৰথমে দিনৰ দুই বজালৈ আৰু পাছত দিনটোৰ বাবে স্থগিত ৰখা হয়।

কাৰ্যক্ৰমণিকা প্ৰথমবাৰ বাবে স্থগিত ৰখাৰ পাছত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিজেপি সাংসদ নিশিকান্ত ডুবেই যোগাযোগ আৰু তথ্য প্ৰযুক্তি বিষয়ক স্থায়ী কমিটিৰ প্ৰতিবেদন দাখিল কৰে। একেদৰে বিজেপিৰ জনাৰ্দন মিশ্ৰই গ্ৰাম্য উন্নয়ন বিষয়ক স্থায়ী কমিটিৰ প্ৰতিবেদন দাখিল কৰে। পাছত আইন আৰু ন্যায় মন্ত্ৰী অৰ্জন ৰাম মেঘৱালে গোৱাৰ বিধানসভা সমষ্টিসমূহত অনুসূচীত জনজাতিসমূহৰ প্ৰতিনিধিত্বৰ পুনৰ সংযোজন বিধেয়ক ২০২৪ সদৰ বিবেচনাৰ্থে উত্থাপন কৰে। শ্ৰী মেঘৱালে অনুসূচীত জনজাতিৰ স্বাৰ্থৰ সৈতে জড়িত বিধেয়কখন অতিকৈ গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে যদিও বিৰোধী পক্ষৰ সাংসদসকলে নিজৰ নিজৰ দাবীৰ সমৰ্থনত ধ্বনি দিবলৈ ধৰে। মন্ত্ৰীগৰাকীয়ে তেওঁলোকক আলোচনাত ভাগ ল'বলৈ আহ্বন জনায়। তাৰ পাছতো বিৰোধী পক্ষৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ আগেয়ে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত সভাপতি ওম বিৰলাই প্ৰশ্নকাল আগবঢ়াই নিয়াত চেষ্টা চলাই যদিও বিৰোধী সাংসদসকলে বিহাৰত ভোটাৰ তালিকা বিশেষ সংশোধনৰ বিষয়ে আলোচনাৰ দাবী কৰি ধ্বনি দিবলৈ ধৰে আৰু সদনৰ মজিয়ালৈ উঠি যায়। প্ৰশ্নকালৰ কামকাজ চলাই নিয়াত সহগিতা কৰিবলৈ আহ্বান জনাই শ্ৰী বিৰলাই কয়, যে তেওঁলোকৰ আচৰণ সদনৰ গৰিমা পৰিপন্থি। সদনৰ মজিয়াত প্লেকাৰ্ড প্ৰদৰ্শন কৰা আৰু কামকাজ ব্যাহত কৰাৰ বিষয় লৈ উদ্বেগ প্ৰকাশ কৰি অধ্যক্ষই প্ৰতিবাদৰত সদস্যসকলক নিজ নিজ আসন গ্ৰহণ কৰিবলৈ আহ্বান জনায়। শ্ৰী বিৰলাই কয়, যে প্ৰশ্নকাল শেষ হোৱাৰ পাছত তেওঁ সদস্যসকলক তেওঁলোকে উত্থাপন কৰা বিষয় সম্পৰ্কে কোৱাৰ সুযোগ দিব। বিৰোধী পক্ষৰ সদস্যসকলে তেওঁৰ অনুৰোধৰ প্ৰতি কাণসাৰ নিদিয়ে আৰু প্ৰতিবাদ অব্যাহত ৰাখে। অচলাৱস্থা অব্যাহত থকাত অধ্যক্ষই সদনৰ কামকাজ দিনৰ দুই বজালৈ স্থগিত ৰাখে। অৱশ্যে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে দেশৰ বিভিন্ন প্ৰান্তত চি এন জিৰ সুবিধা সম্পৰ্কে সোধা এটা প্ৰশ্নৰ উত্তৰ দিয়ে।

ৰাজ্যসভাত পুৱাৰ ভাগত কিছু কামকাজ সম্পন্ন হয়। আৰম্ভণিতে উচ্চ সদনে কাৰ্যকাল সম্পূৰ্ণ হোৱা তামিলনাডুৰ ছগৰাকী সাংসদক বিদায় সম্ভাষণ জনায়। ৰাজ্যসভাত উপ-সভাপতি হৰিবংশে তেওঁৰ ভাষণত কয়, যে কাৰ্যকাল সম্পূৰ্ণ হোৱা প্ৰতিগৰাকী সদস্যই সদনৰ আলোচনাত অৰ্থবহ অৱদান আগবঢ়াইছে। তেওঁ লগতে বিদায়ী সদস্যসকলক কৃতজ্ঞতা প্ৰকাশ কৰে। ইয়াৰ পাছতে উপ-সভাপতিগৰাকীয়ে নতুনকৈ মনোনীত সদস্য উজ্জ্বল নিকমক পদ আৰু গোপনীয়তাৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানৰ পাছত উপসভাপতি হৰিবংশে প্ৰশ্নকাল আৰম্ভ কৰে যদিও বিৰোধী সাংসদসকলে বিভিন্ন বিষয় লৈ ধ্বনি দিবলৈ ধৰে। উপসভাপতি গৰাকীয়ে প্ৰতিবাদৰত সদস্যসকলক কামকাজ সুকলমে আগবঢ়াই নিয়াত সহযোগিতা কৰিবলৈ অনুৰোধ জনায় যদিও তেওঁৰ চেষ্টা অথলে যায়।

হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে তেওঁ সদনৰ কামকাজ দিনৰ দুই বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে। দিনৰ দুই বজাত সদন পুনৰ মিলিত হোৱাৰ সময়তো নিম্ন সদনত অনুৰূপ পৰিস্থিতি বিৰাজ কৰে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সামুদ্রিক পথেৰে সামগ্ৰী পৰিবহন বিধেয়ক ২০২৫ সদনৰ বিবেচনা আৰু গ্ৰহণৰ বাবে উত্থাপন কৰে। এ আই এ ডি এম কেৰ এম থাম্বিডুৰাই আৰু অযোধ্যা ৰামি ৰেড্ডীয়ে বিধায়কখন সন্দৰ্ভত হোৱা আলোচনাত ভাগ লয় যদিও বিৰোধী পক্ষৰ সদস্যসকলে দিয়া ধ্বনিৰ বাবে উপসভাপতি সদনৰ কামকাজ স্থগিত ৰাখিবলৈ বাধ্য হয়।

০০০০০

সম্প্ৰসাদৰণ, যান্ত্ৰিকীকিকৰণ, ডিজিটেলাইজেছন আৰু ব্যৱসায়িক সুচলতাৰ ফলত গোলকীয় বাণিজ্যৰ কেন্দ্ৰ হিচাপে দেশৰ বন্দৰসমূহৰ উত্থান ঘটিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এখন দৈনিক বাতৰি কাকতৰ বাবে লিখা এটা প্ৰবন্ধ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইদৰে মন্তব্য কৰে। প্ৰবন্ধটোত শ্ৰী সোণোৱালে বিশ্বৰ আগশাৰীৰ জাহাজ নিৰ্মাণ কোম্পানীসমূহে কিদৰে ভাৰতীয় কোম্পানীসমূহৰ সৈতে অংশীদাৰিত্বৰে আগবাঢ়িছে আৰু কৰ্মসংস্থাপনৰ পথ প্ৰশস্ত কৰিছে সেই বিষয়ে উল্লেখ কৰিছে। শ্ৰী সোণোৱালে সামৰ্থ বৃদ্ধি, যান্ত্ৰিকীকিকৰণ, ডিজিটেলাইজেছন আৰু ব্যৱসায়িক সুচলতাই বিশ্বাখাপট্টনম, মুন্দ্ৰা, জে এন পি এ আৰু কামৰাজৰ লেখীয়া বন্দৰসমূহৰ গোলকীয় ক্ৰম তালিকাত ঊৰ্ধলৈ গতি কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক আজি শিল্পীৰ এটা দলে ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে। ঝাৰখণ্ড, ওড়িশা আৰু পশ্চিমবংগৰ ২৯ জনীয়া শিল্পীৰ দলটোৱে যোৱা ১৪ জুলাইত আৰম্ভ হৈ আজি সমাপ্ত হোৱা কলা উৎসৱ ২০২৫ৰ দ্বিতীয় সংস্কৰণত অংশলগ্ৰহণ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰী মতী মুৰ্মুৱে শিল্পীসকলে এই সময়ছোৱাত সৃষ্টি কৰা চিত্ৰকলাসমূহৰ প্ৰদৰ্শনী প্ৰত্যক্ষ কৰে আৰু ছহৰাই, পাট্টাচিত্ৰ আৰু পাটুৱাকে ধৰি ভাৰতৰ পৰম্পৰাগত চিত্ৰকলাসমূহলৈ তেওঁলোকৰ অৱদানৰ প্ৰশংসা কৰে।

০০০০০

আংগাৰা এয়াৰ লাইনচৰ দ্বাৰা পৰিচালিত ৰাছিয়ান A N-24 বিমানখন আজি দুৰ্ঘটনাত পতিত হোৱাৰ ফলত পাঁচটি শিশু আৰু ছগৰাকী বিমানকৰ্মীসহ ৪৯ জন লোক নিহত হয়। ব্লাগ'ভেচচেনস্ক'ৰ পৰা ৰাছিয়া-চীন সীমান্তৰ সমীপৰ টিণ্ডালৈ গৈ থকা বিমানখন অৱতৰণৰ কিছু সময় পূৰ্বে বিমান পৰিবহন নিয়ন্ত্ৰকৰ সৈতে যোগাযোগ হেৰুৱাই আৰু পাহাৰীয়া আমুৰ অঞ্চলত দুৰ্ঘটনাত পতিত হয়। হেলিকাপ্টাৰ উদ্ধাৰকাৰী দলে পাছত দুৰ্ঘটনা স্থলীৰ পৰা ১০ মাইল দূৰৈত বিমানখনৰ ধ্বংসাৱশেষৰ সন্ধেদ লাভ কৰে। উল্লেখযোগ্য যে ঠেক ভূ-খণ্ড আৰু ঘন অৰণ্যৰ বাবে উদ্ধাৰ কাৰ্যত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে।

০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে আজি ৰিলায়েন্স অনিল আম্বনী গ্ৰুপৰ কোম্পানী **ৰাগাৰ** বিৰুদ্ধে ঋণ জালিয়াতি আৰু ধনৰ লেন-দেনৰ লগত জড়িত তদন্ত সংক্ৰান্তত ৩৫ টা স্থানত অভিযান চলায়। মুঠ ৫০ টা কোম্পানী আৰু ২৫ জন লোকক এই তদন্তৰ আওতালৈ আনা হৈছে। সঞ্চালকালয়ে কয়, যে প্ৰাথমিক তদন্তত ২০১৭ ৰ পৰা ২০১৯ চনৰ ভিতৰত ব্যক্তিগত বেংকৰ পৰা প্ৰায় তিনি হাজাৰ কোটি টকাৰ ঋণ জালিয়াতিৰ তথ্য প্ৰকাশ পাইছে। সঞ্চালকালয়ে লগতে কয়, যে বেংক, শ্বেয়াৰ হল্ডাৰ, বিনিয়োগকাৰী আৰু

অন্যান্য ৰাজহুৱা প্ৰতিষ্ঠানক প্ৰতাৰণাৰে ৰাজহুৱা ধনৰ অপব্যৱহাৰ কৰি এই কাৰ্যক সুপৰিকল্পিতভাৱে ৰূপায়িত কৰা হৈছিল।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত অ'ল্ড ট্ৰেফ'ৰ্ডত চলি থকা চতুৰ্থ ক্ৰিকেট টেষ্টৰ আজি দ্বিতীয় দিনা ভাৰতে ৩৫৮ ৰানত প্ৰথম ইনিংছ সামৰে। ভাৰতে চাৰি উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৬৪ ৰানৰ পৰা খেল আৰম্ভ কৰি মাত্ৰ ৯৪ ৰান যোগ দিবলৈ সমৰ্থ হয়। ছাই সুদৰ্শন ৬১ ৰান কৰি, ছাৰ্দুল ঠাকুৰে ৪১ ৰান আৰু ৰবীন্দ্ৰ জাডেজাই ২০ ৰান কৰি আউট হয়। কালি আঘাতপ্ৰাপ্ত হৈ খেলপথাৰ ত্যাগ কৰিবলগীয়া হোৱা ভাৰতৰ উপ-অধিনায়ক ঋষভ পণ্ট বেটিং কৰিবলৈ আহে আৰু ভাৰতৰ ৰান সংখ্যা আগবঢ়াবলৈ চেষ্টা কৰে। পণ্ট ৫৪ ৰানত আউট হয়। ইংলেণ্ডৰ হৈ বেন ষ্টʼকছে ৫ টা আৰু জʼফ্ৰা আৰ্চাৰে ৩ টা উইকেট লাভ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ